**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-03-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী বাচনি, মনোনয়ন দাখিলকে ধৰি তৎপৰতা অব্যাহত।

২। বিজেপিত যোগদানৰ পাছত কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ দলৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ।

৩। বিধানসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহৰ কঠোৰ নীতি নিৰ্দেশনা। ই ভি এম আৰু ভি ভি পেটসমূহৰ ৰেণ্ডোমাইজেছন সম্পন্ন।

৪। নিৰ্বাচন আয়োগে ৰাজ্যত নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষকৰ সংশ্লিষ্ট জিলাত দায়িত্ব গ্ৰহণ। *আৰু*

৫। ভাৰত আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই অঞ্চলটোত শান্তি, নিৰাপত্তা আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ লগতে হৰমুজ প্ৰণালীৰ মাজেৰে নিৰাপদ আৰু মুক্ত যাতায়াত সুনিশ্চিত কৰাৰ বাবে সহমতত উপনীত।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন দাখিলকে ধৰি তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি নিশা বা কাইলৈৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। নতুন দিল্লীত বিজেপিৰ জ্যেষ্ঠ নেতা ড০ শৰ্মাই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি আজিৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি প্ৰকাশ কৰিছে। ইপিনে কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আজি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ড০ হিমন্ত বিশ্ব শৰ্মা, পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত শ্ৰীবৰদলৈয়ে দলটোত যোগ দিয়ে। কালি সাংসদগৰাকীয়ে দল ত্যাগৰ সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰি কেন্দ্ৰীয় নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰিছিল। নেতাগৰাকীৰ দল ত্যাগ দুৰ্ভাগ্যজনক যদিও ইয়াৰ ফলত দলৰ নিৰ্বাচনী কাম-কাজ কোনো কাৰণতে ক্ষতিগ্ৰস্ত বা প্ৰভাৱন্বিত নহয় বুলি দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰে।

ইপিনে মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ শৰ্মাই সাংসদগৰাকীক দলটোলৈ আদৰণি জনাইছে। ড০ শৰ্মাই আজি শ্ৰীবৰদলৈৰ সৈতে দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক নতুন দিল্লীত সাক্ষাৎ কৰে। বিজেপিত যোগ দিয়াৰ পাছত শ্ৰীবৰদলৈয়ে এইদৰে কয়-

**ৰাইট (প্ৰদ্যুৎ বৰদলৈ)**

কংগ্ৰেছ দলে এতিয়ালৈ দুখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলটোৱে অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইচ এল চি আৰু চি পি আই এম এলৰ দলৰ লগত মিত্ৰতাৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। চিৰাং জিলাৰ কাশিকোট্ৰাত আজি ৮০ গৰাকী ইউ পি পি এলৰ সদস্যই বিপিএফ দলত যোগ দিয়ে। চিৰাং খণ্ডৰ বিপিএফৰ সভাপতি পানীৰাম বসুমতাৰীৰ সভাপতিত্বত আয়োজিত সভাত এই কৰ্মীসকলে দলত যোগ দিয়ে। বিপিএফ দলে আজি বাক্সা জিলাৰ শালবাৰীত নিৰ্বাচনী প্ৰস্তুতিৰ সাংগঠনিক সভাও অনুষ্ঠিত কৰে। দলটোৱে পিৰহিলৈ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদ দলে ৮টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এ আই ইউ ডি এফ দলে এতিয়ালৈ ২১টা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। একেদৰে ইউ পি পি এল দলে ৭টা সমষ্টিৰ বাবে আৰু চি পি আই এম এল দলে দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। আম আদমী পাৰ্টিয়ে ১৪টা সমষ্টিৰ বাবে আৰু ৰাইজৰ দলে ১১টা সমষ্টিৰ বাবে প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া খোৱাং সমষ্টিৰ পৰা আজি প্ৰচাৰ আৰম্ভ কৰিব। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে আজি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰশাসনে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। **যোৰহাট** জিলাত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকা সময়ছোৱাত ধনৰ অবৈধ লেনদেন, সুৰাৰ প্ৰচলন ৰোধ কৰাকে ধৰি কেইবাটাও কাৰ্যকৰী ব্যৱস্থা প্ৰশাসনে গ্ৰহণ কৰিছে। যোৰহাট নিৰ্বাচনী জিলাৰ ৪টা বিধানসভা সমষ্টি– টীয়ক, মৰিয়নি, তিতাবৰ আৰু যোৰহাটত স্থায়ী নিৰীক্ষণকাৰী দল আৰু ফ্লায়িং স্কোৱাডে ২৪ ঘণ্টাই তালাচী অব্যাহত ৰাখিছে। **শিৱসাগৰ** জিলাত জনসাধাৰণৰ শান্তি শৃংখলা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনসুৰি অনুমতিবিহীনভাৱে আৰু আইন বিৰোধী উদ্দেশ্যৰে অনুষ্ঠানত ৫ জন বা ততোধিক ব্যক্তিৰ সমাৱেশ নিষিদ্ধ কৰা হৈছে। যিকোনো ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰ্যালয়ৰ পৰা বলপূৰ্বকভাৱে বৰঙণি সংগ্ৰহ নাইবা ভাবুকি প্ৰদানতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ, ৰাজহুৱা সম্পত্তি ধবংস কৰা তথা ভাৰতীয় পুৰাতত্ব জৰীপ আৰু অসম চৰকাৰৰ প্ৰত্নতত্ব সঞ্চালকালয়ৰ কীৰ্তিচিহ্নসমূহ ২০০ মিটাৰ পৰিধিৰ ভিতৰত কোনো অকৰ্তৃশীল ব্যক্তি বা সংগঠনৰ প্ৰতিনিধিৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ নম্বৰ ধাৰাৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০

সমাগত বিধানসভা নিৰ্বাচন নিকা আৰু স্বচ্ছতাৰে পৰিচালনা কৰাৰ লক্ষ্যৰে আজি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত ই ভি এম আৰু ভি ভি পেট যন্ত্ৰসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডোমাইজেছন সম্পন্ন হয়। জিলা

আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া ৰোহন কুমাৰ ঝাৰ তত্বাৱধানত অনুষ্ঠিত এই প্ৰক্ৰিয়াত জিলা আয়ুক্তগৰাকীয়ে কয়, যে শৃংখলাবদ্ধ, মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সম্পূৰ্ণৰূপে দায়বদ্ধ। এই ৰেণ্ডোমাইজেছন প্ৰক্ৰিয়াত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আদিৰ লগতে স্বীকৃত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। ভোটগ্ৰহণ সঁজুলি বাচনিৰ ক্ষেত্ৰত এনে কাৰিকৰী পদ্ধতিৰ প্ৰয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিৰপেক্ষতা আৰু বিশ্বাসযোগ্যতাক অধিক শক্তিশালী কৰি তুলিছে বুলিও জিলা আয়ুক্ত শ্ৰীঝাই মন্তব্য কৰে।

নগাওঁ জিলাতো আজি জিলাখনৰ অন্তৰ্গত ৭ টাকৈ বিধানসভা সমষ্টিত সমাগত নিৰ্বাচন প্ৰক্ৰিয়া নিকা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ই ভি এম আৰু ভি ভি পেটসমূহৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডোমাইজেছন সফলতাৰে সমাপ্ত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই প্ৰক্ৰিয়াত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত থকাৰ লগতে স্বীকৃত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে। ইয়াৰ লগতে নিৰ্বাচন বিষয়া শেখৰন ফুকন আৰু অতিৰিক্ত সহকাৰী আয়ুক্ত তেজশ অগ্নিহোত্ৰী তথা নিৰ্বাচন কাৰ্যালয়ৰ বিষয়ববীয়া আৰু কৰ্মচাৰীসকলে এই প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে।

ooooo

নিৰ্বাচন আয়োগে ৰাজ্যখনত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক আজি সংশ্লিষ্ট জিলাত উপস্থিত হৈছে। **বজালী** জিলাৰ দুটা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া এছ্ গণেশ আজি জিলাখনত উপস্থিত হয়। সমষ্টি দুটাৰ বাবে ব্যয় পৰ্যবেক্ষকৰূপে নিয়োগ কৰা ভাৰতীয় ৰাজহ সেৱা বিষয়া ধীৰেন্দ্ৰ কুমাৰো আজি বজালীত উপস্থিত হৈছে। দৰং জিলাৰ তিনিওটা সমষ্টিৰ বাবে নিয়োগ কৰা পৰ্যবেক্ষকসকল আজি জিলাখনত উপস্থিত হয়। সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া অংকিত আনন্দ, ব্যয় পৰ্যবেক্ষক পুনীত শৰ্মা আৰু আৰক্ষী পৰ্যবেক্ষক ৰাজেশ কুমাৰে আজি জিলাখনত স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে গ্ৰহণ প্ৰস্তুতিৰ বুজ লয়। তেওঁলোকে জিলা আয়ুক্ত আয়ুষী জৈন আৰু বিভিন্ন কোষসমূহৰ ন'ডেল বিষয়াসকলৰ উপস্থিতিত আৰক্ষী প্ৰশাসন তথা জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। জিলাখনৰ জনসাধাৰণৰ নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি থাকিলে প্ৰতিদিনে দিনৰ ১১ বজাৰ ১২ বজালৈ মঙলদৈ আৱৰ্ত ভৱনৰ সভাকক্ষত পৰ্যবেক্ষকসকলক সাক্ষাৎ কৰি অৱগত কৰিব পাৰিব। ইয়াৰ বাবে একোটাকৈ মোবাইল নম্বৰো দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত আসন্ন নিৰ্বাচনৰ বাবে ১৩৬ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষক নিয়োগ কৰা হৈছে। ইয়াৰে ৫১ গৰাকী সাধাৰণ, ৫০ গৰাকী ব্যয় আৰু ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক। এই পৰ্যবেক্ষকসকলে নিৰ্বাচন বিষয়ক ওজৰ-আপত্তি দাখিলৰ বাবে প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু ৰাইজৰ প্ৰতিনিধিৰ সাক্ষাতৰ বাবে সময় নিৰ্দিষ্ট কৰি দিব। নিৰ্বাচন আয়োগে লগতে ৰাজনৈতিক দল, বিষয়া আৰু মন্ত্ৰীসকললৈও বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি মন্ত্ৰীসকলক চৰকাৰী কৰ্তব্যৰ সৈতে নিৰ্বাচনী প্ৰচাৰক এককাৰ নকৰিবলৈ তথা নিৰ্বাচনী প্ৰচাৰত চৰকাৰী যন্ত্ৰ, ব্যক্তি বা পৰিবহণ ব্যৱহাৰ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে চৰকাৰী বিষয়াসকলক নিৰ্বাচনী আদৰ্শ আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবলৈ তথা ৰাজনৈতিক দলসমূহক সভা, সমদলৰ বিষয়ে আগতীয়াকৈ আৰক্ষীক অৱগত কৰিবলৈ আৰু নিষেধাজ্ঞাসমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচন স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে আনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন ঠাইত জিলা প্ৰশাসনে আৰক্ষীৰ সহযোগত তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰে অংশ হিচাপে আজি দক্ষিণ শালমাৰা - মানকাচৰ জিলাত আৰক্ষীয়ে আজি ফ্লেগমাৰ্চ কাৰ্যসূচী ৰূপায়িত কৰে। জিলাৰ সদৰ হাতশিঙিমাৰীত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই কাৰ্যসূচীত আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ শীতল কুমাৰৰ নেতৃত্বত অনুষ্ঠিত এই কাৰ্যসূচীত অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ দাসৰ লগতে বিভিন্ন থানা আৰু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। এই কাৰ্যসূচীত অসম আৰক্ষীৰ উপৰিও সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে। জনসাধাৰণৰ মাজত নিৰাপত্তা আৰু আস্থাৰ বাৰ্তা প্ৰেৰণ কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। ইয়াৰ জৰিয়তে ভোটাদাতাসকলক নিৰ্ভয়ে নিজৰ ভোটধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে ৫, ৬, ৭ আৰু ১২ মে'ত ধাৰাবাহিক শুনানি গ্ৰহণ কৰিব। এই আইনৰ বিৰোধিতা কৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে আবেদন দাখিল কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আজি এই সন্দৰ্ভত কয়, যে এই আইনৰ বিৰুদ্ধে সংগঠনটোৱে আইনগত আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে সংগ্ৰাম অব্যাহত ৰাখিছে। উচ্চতম ন্যায়ালয়ে সমগ্ৰ ভাৰতৰ বাবে সুকীয়াকৈ আৰু অসম আৰু ত্ৰিপুৰাৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰিব বুলি ড০ ভট্টাচাৰ্যই উল্লেখ কৰে।

**বাইট (ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)**

০০০০০

শিৱসাগৰত আজি ৰাইজৰ দলে এখন সংবাদ মেলৰ আয়োজন কৰি নিৰ্বাচনী প্ৰস্তুতি সম্বন্ধে দলটোৰ স্থিতি প্ৰকাশ কৰে। দলটোৰ জ্যেষ্ঠ নেতা ৰণজিৎ তামুলীয়ে সংবাদ মেলত কয়, যে শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক অখিল গগৈৰ বাবে দলৰ সদস্যসকলে মনোনয়ন পত্ৰ সংগ্ৰহ কৰে। অহা ২০ মাৰ্চত অখিল গগৈয়ে শিৱসাগৰ সমষ্টিৰ বাবে আনুষ্ঠানিকভাৱে মনোনয়ন পত্ৰ দাখিল কৰিব বুলি নেতাগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যত নিৰ্বাচনী আচৰণবিধি বলবৎ হৈ থকাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী পৌৰ নিগমে অবৈধভাৱে লগোৱা বিজ্ঞাপনৰ বিৰুদ্ধে গুৱাহাটী মহানগৰীত অভিযান চলাইছে। পৌৰ নিগমৰ দলে নিৰ্বাচনী আচৰণবিধি উলংঘা কৰা হৰ্ডিং, বেনাৰ, চাইন ব'ৰ্ড, প'ষ্টাৰ আদি মহানগৰীৰ বিভিন্ন পথৰ পৰা ইতিমধ্যে আঁতৰাই পেলোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী পৌৰ নিগমে সকলোকে নিৰ্বাচনী আচৰণবিধি তথা ব্যৱস্থাসমূহ মানি চলিবলৈ আহ্বান জনাইছে। ইয়াৰ অন্যথা জৰিমণা বিহা হ'ব বুলি নিগমৰ সূত্ৰই সকিয়াই দিছে।

০০০০০

মণিপুৰত উগ্ৰপন্থী সংগঠনৰ বিৰুদ্ধে চলি থকা অভিযানকালত বিগত ২৪ ঘণ্টাত নিৰাপত্তা বাহিনীয়ে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা ৩ টা উগ্ৰপন্থী সংগঠনৰ ৩ জন সদস্যক আপত্তিজনক সামগ্ৰীসহ গ্ৰেপ্তাৰ কৰে।

আজি মণিপুৰ আৰক্ষীৰ মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰা এটা বিবৃতিত কয় যে নিৰাপত্তা বাহিনীয়ে কাকচিং জিলাৰ চুগনু আৰক্ষী থানাৰ অন্তৰ্গত চিংটম অঞ্চলৰ পৰা নিষিদ্ধ সংগঠন আৰ পি এফ, পি এল এৰ সক্ৰিয় সদস্য এলাংবাম অবিনাশ, ইম্ফল পূব জিলাৰ ইৰিলবুং থানাৰ অন্তৰ্গত বামন কামপুৰ ইৰিলবুং হাইস্কুলৰ সমীপৰ পৰা নিষিদ্ধ সংগঠন কে চি পিৰ সক্ৰিয় সদস্য মুটুম ৰঞ্জন সিঙক এটা মোবাইল ফোন আৰু স্কুটিসহ গ্ৰেপ্তাৰ কৰে। আনহাতে তৃতীয়টো অভিযানত নিৰাপত্তা বাহিনীয়ে ইম্ফল পশ্চিম জিলাৰ সিংজামেই আৰক্ষী থানাৰ অন্তৰ্গত কাঞ্চিপুৰ অঞ্চলৰ পৰা নিষিদ্ধ সংগঠন প্ৰিপাকৰ সক্ৰিয় সদস্য টাওৰেম অৰুণ কুমাৰ সিঙক এটা মোবাইল ফোন আৰু এখন আধাৰকাৰ্ড সহ গ্ৰেপ্তাৰ কৰে। ৰাজ্যখনৰ স্পৰ্শকাতৰ জিলাসমূহৰ সীমান্তৱৰ্তী অঞ্চলসমূহত নিৰাপত্তা বাহিনীয়ে সময়ে সময়ে চলোৱা তালাচী অভিযানত অস্ত্ৰ-শস্ত্ৰ আৰু গুলি বাৰুদো উদ্ধাৰ কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে।

০০০০০

ভাৰত আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰই অঞ্চলটোত শান্তি, নিৰাপত্তা আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ লগতে হৰমুজ প্ৰণালীৰ মাজেৰে নিৰাপদ আৰু মুক্ত যাতায়াত সুনিশ্চিত কৰাৰ বাবে সহমতত উপনীত হৈছে। পশ্চিম এছিয়াৰ শেহতীয়া ঘটনা সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত  আন্তঃমন্ত্ৰালয়ৰ  এখন বৈঠকৰ পাছত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে প্ৰকাশ কৰে যে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত ইউ এ ইৰ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বাৰ্তালাপ কৰে। বাৰ্তালপৰ সময়ত শ্ৰীমোদীয়ে দেশখনৰ ওপৰত চলোৱা আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। তেওঁ লগতে নিৰীহ লোকক আক্ৰমণ আৰু অসামৰিক লোকৰ আন্তঃগাথনি ধবংস কৰাটোকো নিন্দা কৰে। মুখপাত্ৰগৰাকীয়ে লগতে তেহৰানত থকা ভাৰতৰ দূতাবাসে ভাৰতীয় নাগৰিক বিশেষকৈ শিক্ষাৰ্থীসকলক স্থলসীমাৰে আৰ্মেনিয়া আৰু আজাৰবাইজানলৈ যাত্ৰা কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছে বুলিও জানিবলৈ দিয়ে।

আনহাতে, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই দেশত খাৰুৱা তেলৰ যোগান স্বাভাৱিক আৰু তেল শোধানাগাৰসমূহে সৰ্বোচ্চ ক্ষমতাৰে কাম কৰি আছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন ৪০ শতাংশ বৃদ্ধি পোৱা আৰু সমগ্ৰ দেশতে খুচুৰা বিপনীসমূহতো যোগান নিয়মীয়া হৈ থকা বুলি উল্লেখ কৰে।

ইফালে বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই ভাৰতৰ সকলো জাহাজ, সুৰক্ষিত হৈ আছে বুলি প্ৰকাশ কৰিছে। বিশেষ সচিবগৰাকীয়ে কয় যে মন্ত্ৰালয়ে জাহাজৰ গতিবিধি, নাবিকৰ কল্যান আৰু সামুদ্ৰিক বাণিজ্যিক কাৰ্যকলাপো নিৰীক্ষণ কৰি আছে। ০০০

০০০০০

ঃঃ সমাপ্ত ঃঃ